Music-21 second

Voice with background music- 20 second

**নমস্কাৰ,**

প্ৰিয় শ্ৰোতা, আপুনি শুনি আছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সামূহিক অনাতাঁৰ সেৱা ৰেডিঅ' লুইত। ৰেডিঅ' লুইতৰ আলেখ্য অনুষ্ঠানটোলৈ মই মিতালী বৰাই আপোনালোকক স্বাগতম জনাইছো। অনুষ্ঠান প্ৰচাৰিত হৈ আছে F.M. বেণ্ডৰ 90.8 MHz - ত

**"জ্ঞানৰ দীপালীৰে জিলিকাও লুইতৰে পাৰ"**

Music- 5 second

Voice with background music- 25 second

আজিৰ আলেখ্য অনুষ্ঠানটিত আপোনালোকলৈ আগবঢ়াবলৈ লৈছো "সত্ৰীয়া নৃত্যৰ এটি চমু আভাস" শীৰ্ষক এখনি আলেখ্য।

সত্ৰীয়া নৃত্যৰ বিষয়ে জনাৰ আগত আমি সত্ৰৰ বিষয়ে কিছু কথা জানি লোৱাটো আৱশ্যক।

পঞ্চদশ শতিকাৰ একেবাৰে শেষৰফালে আৰু ষোল্লশ শতিকাৰ আগভাগত মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱে নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ যি মূল অনুষ্ঠান অসমত স্থাপন কৰে সেয়ে হ'ল সত্ৰ।

Music- 6 second

Voice with background music- 51 second

সত্ৰ মানে দৰাচলতে, স + ত্ৰ, সজ্জনং ত্ৰায়তে, অৰ্থাৎ সজ্জনমূলক পূণ্যধামলৈ নিয়া বা ত্ৰাণ কৰাই হ'ল সত্ৰ। যি স্থানত একান্ত ভক্ত সকলে ঈশ্বৰৰ প্ৰিয় কাৰ্য সাধন কৰে আৰু যি স্থানত দৈনন্দিন নৱবিধ ভক্তিয়ে বিৰাজ কৰে সেইস্থানেই হ'ল সত্ৰ। সত্ৰত বাস কৰা ভক্তসকল বৈষ্ণৱ হৰিনাম পৰায়ণ। সত্ৰ শব্দটো বৈদিক শব্দ।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰিয় শিষ্য শ্ৰীশ্ৰীমাধৱদেৱে অসমৰ বৰদোৱা আৰু বৰপেটা নামে ঠাইত সত্ৰ স্থাপন কৰিছিল। বৰপেটা সত্ৰৰ আন এটা নাম আছিল তাঁতীকুছি সত্ৰ। ঠিক সেইদৰে অসমৰ বৃহত্তম নদীদ্বীপ মাজুলীতো মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱ আৰু শ্ৰীমাধৱদেৱে কেইবাখনো সত্ৰ স্থাপন কৰিছিল। তাৰে ভিতৰত কমলাবাৰী সত্ৰ, আউনীআটী সত্ৰ, দক্ষিণপাট সত্ৰই প্ৰধান।

Music- 23 second

Voice with background music- 36 second

ভগৱানৰ লীলা ব্যাখ্যান আৰু চিন্তন, শ্ৰৱণ, সংগীত, নাট্যচৰ্চা, অধ্যয়ন, অধ্যাপনা আদি সত্ৰতেই কৰা হয়। তাৰ উপৰিও নিৰক্ষৰতা দূৰীকৰণ, চিকিৎসা সেৱা আৰু নানা শিল্পকলাও সত্ৰত কৰা দেখিবলৈ পোৱা যায়। সেইবাবে সত্ৰসমূহক বিশ্ববিদ্যালয় হিচাপেও আখ্যা দিয়া হয়। সত্ৰসমূহৰ ৰক্ষণা-বেক্ষণৰ দায়িত্ব একোজনকৈ ভকতক দিয়া দেখা যায়।

প্ৰিয় শ্ৰোতা,

এইখিনিতে সত্ৰীয়া নৃত্য জগতৰ লগত জড়িত এগৰাকী সু-প্ৰসিদ্ধ শিল্পী শ্ৰীমতী বৰ্ণালী মহন্তৰ পৰা সত্ৰীয়া নৃত্যৰ বিষয়ে কিছু কথা জানো আহক।

Interview- 7 minute 18 second

ধন্যবাদ মেম্। আপুনি ইমান ব্যস্ততাৰ মাজত আমাক কিছু সময় দিলে তাৰ বাবে আপোনাক বহুত বহুত ধন্যবাদ জ্ঞাপন কৰিছো।

Voice with background music- 1 minute 33 second

প্ৰিয় শ্ৰোতা,

ইমান পৰে আপোনালোকে শ্ৰীমতী বৰ্ণালী মহন্তৰ পৰা সত্ৰীয়া নৃত্যৰ বিষয়ে কিছু কথা শুনিবলৈ পালে।

সত্ৰীয়া শব্দটো দৰচলতে সত্ৰ শব্দৰ পৰাই উৎপত্তি হৈছিল। সত্ৰীয়া নৃত্য হ'ল শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱে প্ৰতিষ্ঠা কৰা সত্ৰৰ যোগেদি প্ৰচলন হোৱা এক নৃত্য। শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱে অসমত সত্ৰীয়া নৃত্য প্ৰৱৰ্তন কৰিছিল। মহাপুৰুষ জনাই ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ সম্পদৰ লগত অসমৰ স্থানীয় কিছু উপাদান সংযোগ কৰি তেখেতে সত্ৰত এক নৱ নৃত্যধাৰা সৃষ্টি কৰিলে আৰু সেয়েই হ'ল সত্ৰীয়া নৃত্য। মহাপুৰুষ দুজনাই ভক্তিধৰ্ম প্ৰচাৰৰ মূলমন্ত্ৰ হিচাপে সত্ৰীয়া নৃত্যৰ সৃষ্টি কৰিছিল।

অসমৰ সত্ৰীয়া নৃত্য ভাৰতৰ সকলো নৃত্যতকৈ অন্যতম। এই নৃত্যৰ যোগেদি ভগৱান বিষ্ণুৰ প্ৰতি আৰতি বন্দনা কৰা হয়।

সত্ৰীয়া নৃত্য অসমৰ বাবে ৰহণীয়া সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ। এই নৃত্য সৰ্বভাৰতীয় ধ্ৰূপদী সংস্কৃতিৰ এক অন্তৰংগ সম্পদ। শ্ৰীকৃষ্ণৰ লীলা-খেলা, ৰসোত্তীৰ্ণভাৱে প্ৰদৰ্শন কৰিবলৈ সত্ৰীয়া নৃত্যৰ জন্ম হৈছিল। গায়ন-বায়ন, ওজাপালি, নটোৱা, চালি, ঝুমুৰা, ৰাসনৃত্য, সূত্ৰধাৰ নৃত্য, বাহাৰ নৃত্য, নাদুভংগী, ভোৰতাল নৃত্য আদি সত্ৰীয়া নৃত্যৰ অন্তৰ্গত।

প্ৰিয় শ্ৰোতা,

এইখিনিতে সত্ৰীয়া নৃত্য জগতৰ আন এগৰাকী সুপ্ৰসিদ্ধ ব্যক্তি তথা বায়ন শ্ৰীযুত ঘনকান্ত বৰা বৰবায়ন দেৱৰ পৰা সত্ৰীয়া নৃত্যৰ বিষয়ে কিছু কথা জানো আহক।

Interview- 11 minute 49 second

ধন্যবাদ চাৰ, আপুনি ইমান ব্যস্ততাৰ মাজতো আমাক ইমানখিনি সময় দিলে তাৰ বাবে আপোনাক বহুত বহুত ধন্যবাদ জ্ঞাপন কৰিছো। আপোনাৰ ওচৰত আমি চিৰ কৃতজ্ঞ।

Music- 13 second
Voice with background music- 51 second

প্ৰিয় শ্ৰোতা,

ইমানপৰে আপোনালোকে শ্ৰীযুত ঘনকান্ত বৰা বৰবায়ন দেৱৰ পৰা সত্ৰীয়া নৃত্যৰ বিষয়ে কিছু কথা জানিবলৈ পালে।

অঞ্চলভেদে সত্ৰীয়া নৃত্য বিভিন্ন ধৰণৰ। সত্ৰীয়া নৃত্যৰ মূলভাৱ হ'ল আধ্যাত্মিক। যি নৃত্য সমূহৰ মাজেদি শৰীৰৰ অংগবোৰৰ সঞ্চালনৰ সহযোগত ভগৱানক আৰাধনা কৰা হয় সেই নৃত্যই হ'ল সত্ৰীয়া নৃত্য।

প্ৰাচীন কালৰ পৰাই অসমত নৃত্য কলাৰ প্ৰচলন হৈ আছিল। প্ৰায় পোন্ধৰশ শতিকাৰ পৰা প্ৰচলিত এই নৃত্যধাৰা ঊনৈশ শ শতিকাৰ মাজভাগত বৈষ্ণৱ ধৰ্মীয় সত্ৰসমূহৰ পৰা আধুনিক মঞ্চলৈ ওলাই আহে। পৰম্পৰাগত ভাৱে সত্ৰসমূহত এই নৃত্য মাথো পুৰুষ ভকতসকলৰ মাজতে আৱদ্ধ আছিল। কিন্তু এই নৃত্যই আধুনিক মঞ্চৰ স্বীকৃতি পোৱাৰ লগে লগে এই সত্ৰীয়া নৃত্য পুৰুষ মহিলা উভয়ে পৰিবেশন কৰিবলৈ আৰম্ভ কৰিলে।

Music- 24 second
Voice with background music- 1minute 21 second

২০০০ চনৰ ১৫ নৱেম্বৰত এক সুকীয়া শৈলীৰ সত্ৰীয়া নৃত্যক সংগীত নাটক একাডেমীয়ে ভাৰতৰ অন্যতম শাস্ত্ৰীয় নৃত্যৰ মৰ্যাদা প্ৰদান কৰে।

সত্ৰীয়া নৃত্য প্ৰধানকৈ ভাওনাৰ লগত জড়িত, অংকীয়া ভাওনাই হ'ল এই নৃত্যৰ মূল ভেঁটি।

সংস্কৃতৰ মতে,
"গীতম, বাদ্যম তথা নৃত্যম, ত্ৰয়তে, সংগীতমুচ্যতে।
অৰ্থাৎ গীত, বাদ্য আৰু নৃত্যৰ সমাহাৰেই সংগীত।
সেয়ে নৃত্যই হ'ল সংগীতৰ এটা অপৰিহাৰ্য অংগ। সংগীত সত্ৰৰ প্ৰতিষ্ঠাপক আছিল স্বৰ্গীয় ৰসেশ্বৰ শইকীয়া বৰবায়ন দেৱ।

মহাপুৰুষ দুজনাই বিভিন্ন ঠাইত স্থাপন কৰা সত্ৰসমূহত ভক্তসকলৰ আমোদ-প্ৰমোদৰ বাবে সংগীত, সত্ৰীয়া নৃত্য, নাম-প্ৰসংগ আদিৰ সৃষ্টি কৰিছিল। তেতিয়াৰ পৰাই এইদৰে অসমত সত্ৰীয়া নৃত্যৰ প্ৰচলন হৈ আহিছে।

বিভিন্ন অঞ্চলত সত্ৰীয়া নৃত্যৰ আগধৰোঁতাৰ কথা আলোচনা কৰিবলৈ গ'লে কেইজনমান বিশিষ্ট শিল্পীৰ নাম উল্লেখনীয়। তেখেতসকলৰ ভিতৰত কেইগৰাকীমান অন্যতম বিশিষ্ট শিল্পীৰ নাম হ'লঃ

স্বৰ্গীয় ৰসেশ্বৰ শইকীয়া বৰবায়ন দেৱ,
শ্ৰীযুত যতীন্দ্ৰনাথ গোস্বামী দেৱ,
শ্ৰীযুত নাৰায়ণ চন্দ্ৰ গোস্বামী দেৱ,
শ্ৰীযুত গোবিন্দ শইকীয়া আদিয়ে।

এইদৰে বিভিন্নজন শিল্পীৰ সহযোগত অতীতৰ পৰা বৰ্তমান সময়লৈ সত্ৰীয়া নৃত্যৰ প্ৰচলন হৈ আহিছে।

Music- 3 second

Voice with background music- 31 second

এতিয়াৰ নৰপ্ৰজন্মই সত্ৰীয়া নৃত্যৰ প্ৰতি অধিক আগ্ৰহ দেখুওৱাও পৰিলক্ষিত হৈছে।

শ্ৰোতা সকলে ইমানপৰে "আলেখ্য অনুষ্ঠান"টিৰ জড়িয়তে "সত্ৰীয়া নৃত্যৰ এটি চমু আভাস" শীৰ্ষক এখনি আলেখ্য শুনিবলৈ পালে।

অনাগত দিনত ৰেডিঅ' লুইতৰ ষ্টুডিঅ'ৰ মজিয়াত পুনৰ লগ পোৱাৰ প্ৰতিশ্ৰুতিৰে মই মিতালী বৰাই আপোনালোকৰ পৰা বিদায় লৈছো।

শুনি থাকিব 90.8 MHz - ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ সামূহিক অনাতাঁৰ সেৱা ৰেডিঅ' লুইত।

**"জ্ঞানৰ দীপালীৰে জিলিকাও লুইতৰে পাৰ"**

Music- 2 minute 15 second